**লোকশিক্ষণ প্ৰচাৰক মণ্ডল আৰু অন্য**

**বনাম**

**ৰাজেন্দ্ৰ কুমাৰ আজবৰাও মাহালে আৰু অন্যান্য**

**৫ মে', ১৯৯৭**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ ডি. পি. ৱাধৱা]**

*ভাৰতীয় সংবিধান, ১৯৫০*

*অনুচ্ছেদ ২২৬ – লেখ আবেদন – বিতৰ্কিত আদেশ স্থগিত ৰখা – মহাৰাষ্ট্ৰ চৰকাৰৰ শিক্ষা বিভাগ – এটা শৈক্ষিক কাৰ্যকালৰ বাবে নিযুক্তি প্ৰদান কৰি নিযুক্তি-পত্ৰত স্পষ্টভাৱে উল্লেখ কৰা যে কাৰ্যকালৰ শেষত কোনো সূচনা অবিহনে সেৱাৰ পৰা অব্যাহতি দিয়া হ'ব – তাৰ পৰৱৰ্তী বৰ্ষত কোনো নিযুক্তি হোৱা নাছিল – আবেদনকাৰীয়ে সেৱা অব্যাহত ৰখাৰ বাবে ন্যায়াধিকৰণৰ কাষ চপা – ন্যায়ধিকৰণে বৰ্খাস্তকৰণ অবৈধ বুলি ৰায় দিয়া – চৰকাৰৰ দ্বাৰা লেখ আবেদন দাখিল – উচ্চ ন্যায়ালয়ে স্থগিতাদেশ বাতিল কৰা – ৰায় দিয়া হয় যে ন্যায়াধিকৰণে লিপিবদ্ধ কৰা তথ্য স্পষ্টভাৱে অযুক্তিকৰ – গোচৰটো স্পষ্টভাৱে লেখ আবেদনখনৰ নিষ্পত্তি নোহোৱালৈকে ন্যায়াধিকৰণৰ আদেশ স্থগিত ৰখাৰ বাবে তৰা হৈছিল – উচ্চ ন্যায়ালয়ৰ আদেশ বাতিল কৰা হ'ল – লেখ আবেদনখন অনতিপলমে নিষ্পত্তি কৰা হ'ব – সেৱা আইন – নিৰ্দিষ্ট সময়ৰ বাবে নিযুক্তি।*

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : ১৯৯৭-ৰ দেৱানী আবেদন সংখ্যা ৩৬১৯।

১৯৯৫-ৰ ডাব্লিউ.পি. সংখ্যা ৩৫২০-ত বম্বে উচ্চ ন্যায়ালয়ৰ ১৯.২.৯৭ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ এ. কে. সংঘী।

উত্তৰদাতাৰ হৈ ভি. এ. মহতা, প্ৰমিত চাক্সেনা, আৰু এচ. ভি. দেশপাণ্ডে।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল :

অনুমতি প্ৰদান কৰা হ'ল। আমি দুয়োপক্ষৰ বিজ্ঞ অধিবক্তাৰ বক্তব্য শুনিলোঁ।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন লেখ আবেদন সংখ্যা ৩৫২০/৯৫-ত বম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠে ১৯ ফেব্ৰুৱাৰী, ১৯৯৭-ত প্ৰদান কৰা অন্তৰ্বৰ্তীকালীন আদেশৰ পৰা উদ্ভৱ হৈছে।

উত্তৰদাতাক ৯ জুলাই, ১৯৯২-ত এবছৰৰ বাবে নিযুক্তি দিয়া হৈছিল। নিযুক্তিৰ আদেশ নিম্নলিখিত ধৰণে উল্লেখ কৰা হৈছে :

> "আপোনাৰ নিযুক্তি ৯.৭.৯২ তাৰিখৰ পৰা কাৰ্যকালৰ শেষলৈ এবছৰৰ বাবে ছুটী/প্ৰতিনিযুক্তি/খালী পদৰ ঠাইত হৈছে। উপৰোক্ত সময়সীমা উকলি যোৱাৰ পাছত আপোনাৰ সেৱা কোনো সূচনা অবিহনে সমাপ্ত হ'ব।"

ইয়াৰ পাছত ২১ মে, ১৯৯৫ তাৰিখে প্ৰেৰণ কৰা শিক্ষা বিভাগৰ উপ-সঞ্চালক (সাধাৰণ)-ৰ ১৯ মে, ১৯৯৪ তাৰিখৰ আদেশত উল্লেখ কৰা অনুসৰি উত্তৰদাতাক কোনো নিযুক্তি প্ৰদান কৰা হোৱা নাছিল যিটো নিম্নলিখিত ধৰণে উল্লেখ কৰা হৈছে :

> “১৯৯৩-৯৪ বৰ্ষৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অনুমোদন আৰু ব্যৱস্থাপনা প্ৰত্যাখ্যানৰ বাবে কোনো শ্ৰেণীলৈ অনুদান-সাহায্যৰ ভিত্তিত কোনো অনুমোদন প্ৰদান কৰা হোৱা নাছিল। এই তথ্য বিদ্যালয়সমূহৰ সকলো মুৰব্বীলৈ শিক্ষা বিভাগৰ উপ সঞ্চালক, শিক্ষা বিষয়া (মাধ্যমিক), আৰু শিক্ষা পৰিদৰ্শক, বঙ্গৰ যোগেদি প্ৰেৰণ কৰিব লাগে।”

সেয়েহে এয়া দেখা গৈছে যে ১৯৯৩-৯৪ বৰ্ষৰ বাবে কোনো নিযুক্তি দিয়া হোৱা নাছিল। উত্তৰদাতাই ন্যায়াধিকৰণৰ ওচৰত নিৰ্দেশনাৰ বাবে এখন আবেদন দাখিল কৰিছিল। ন্যায়াধিকৰণে ৰায় দিছিল যে তেওঁক এক স্থায়ী খালী পদৰ ঠাইত নিযুক্তি দিয়া হৈছিল আৰু বৰ্খাস্তকৰণৰ আদেশ প্ৰদান কৰিবলৈ প্ৰধান শিক্ষকৰ কোনো কৰ্তৃত্ব নাছিল। নিযুক্তিৰ আদেশৰ পৰিপ্ৰেক্ষিতত ন্যায়াধিকৰণে লিপিবদ্ধ কৰা এনে তথ্য স্পষ্টভাৱে অযুক্তিকৰ। যেতিয়া আদেশটোৰ স্থগিতাদেশ বিচাৰি এক লেখ আবেদন দাখিল কৰা হয়, তেতিয়া উচ্চ ন্যায়ালয়ে বিতৰ্কিত আদেশটোত দিয়া স্থগিতাদেশ বাতিল কৰে। উল্লেখিত তথ্যসমূহত, গোচৰটো স্পষ্টভাৱে লেখ আবেদনখন নিষ্পত্তি নোহোৱালৈকে ন্যায়াধিকৰণৰ আদেশ স্থগিত ৰখাৰ বাবে তৰা হৈছিল।

সেই অনুসৰি আবেদন মঞ্জুৰ কৰা হ’ল। উচ্চ ন্যায়ালয়ৰ আদেশ বাতিল কৰা হ’ল। উচ্চ ন্যায়ালয়ক লেখ আবেদনখন অনতিপলমে নিষ্পত্তি কৰিবলৈ অনুৰোধ জনোৱা হ’ল। ব্যয় অবিহনে।

আবেদন মঞ্জুৰ কৰা হ’ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)